# শোণিতপুৰৰ মহাবিদ্যালয় কৰ্মচাৰী সন্থাৰ অধিৱেশন

নিয়মীয়া বাৰ্তা, হেলেম, ২৪ আগষ্ট ঃ শোণিতপুৰ জিলা মহাবিদ্যালয় কৰ্মচাৰী সন্থাৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিৱেশনখন ২৪ ছেপ্টেম্বৰৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গহপুৰ মহকুমাৰ গহপুৰ নগৰস্থিত ছয়দুৱাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব। এই উপলক্ষে ১৬ আগষ্টত সন্থাৰ আহ্বান মৰ্মে ছয়দুৱাৰ মহাবিদ্যালয়ত সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাত অধিৱেশনখন সফলভাৱে অনুষ্ঠিত কৰিবৰ বাবে সৰ্বসন্মতিক্ৰমে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাক সভাপতি, ড° দীপক দাসক কাৰ্যকৰী সভাপতি, সহযোগী অধ্যাপক পদ্মনাথ ফুকন, গ্ৰন্থগাৰিক হেমন্ত গগৈক যুটীয়া সম্পাদক, উৎপল মহন্তক সহকাৰী সম্পাদক আৰু মহাবিদ্যালয়খনৰ একাধিক অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰীক সদস্য হিচাপে লৈ অভ্যৰ্থনা সমিতি গঠন কৰা হয়। শোণিতপুৰ জিলা মহাবিদ্যালয় কৰ্মচাৰী সন্থাৰ সম্পাদক নৰ গোস্বামীৰ উপস্থিতিত অনুষ্ঠিত সভাখনত সহযোগী অধ্যাপিকা লিলি বৰদলৈ আৰু অধ্যাপক ড° মাধৱ বৰাক অধিৱেশনখনৰ সাংস্কৃতিক দিশটো চোৱা-চিতা কৰাৰ দায়িত্ব অৰ্পণ কৰা হয়।